দ্বিতীয়খন দেশৰ দুয়োবিধ সামগ্ৰী উৎপাদনৰ খৰচ বেছি তেনে অৱস্থাত দেশ দুখনৰ মাজত আন্তৰ্জাতিক বাণিজ্য হ'বনে নহয় তাক স্মিথে ক'ব পৰা নাছিল। ৰিকাৰ্ডোৱে এই প্ৰশ্নৰ সমাধান আগবঢ়াইছে। ৰিকাৰ্ডোৰ মতে এনে অৱস্থাতো আন্তৰ্জাতিক বাণিজ্যৰ পৰা লাভৱান হ'ব পৰা যায়। আৰু এই বানিজ্যৰ ভিত্তি হ'ব উৎপাদনৰ আপেক্ষিক খৰচৰ পাৰ্থক্য।

1.7.**আন্তৰ্জাতিক বাণিজ্যৰ তুলনামূলক ব্যয় তত্ব** (Theory of comparatve cost) ঃ সংস্থাপিত গোষ্ঠী অৰ্থনীতিবিদ সকলে আন্তৰ্জাতিক বাণিজ্যৰ বাবে যে এক পৃথক তত্বৰ প্ৰয়োজন আছে তাক ব্যাখ্যা কৰিবলৈ গৈ আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কীয় যি ধাৰণাৰ অৱতাৰণা কৰিছিল সেই তত্বসমূহে ঘাইকৈ তলত উল্লেখ কৰা সমস্যা কেইটাৰ সমাধান দিবলৈ যত্নপৰ হৈছিল। সেইয়া হ'ল -

(1) আন্তৰ্জাতিক বাণিজ্যৰ চৰ্ত্তসমূহ ঃ- কোনবোৰ চৰ্ত্ত সাপেক্ষে দুখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্য সম্ভৱ হয়।

(2) আন্তৰ্জাতিক বাণিজ্য কেনেদৰে সম্ভৱ তাক নিৰ্দ্ধাৰণ কৰা। অৰ্থাৎ কোনখন দেশে কি সামগ্ৰী নিজে উৎপাদন কৰি ৰপ্তানি কৰিব আৰু কি সামগ্ৰী নিজে উৎপাদন নকৰি আমদানি কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰা।

(3) বাণিজ্য হাৰ কি হ'ব তাক স্থিৰ কৰা অৰ্থাৎ কি হাৰত দেশ দুখনৰ মাজত সামগ্ৰীৰ বেচাকিনা কৰা হ'ব তাক নিৰ্দ্ধাৰণ কৰা।

আদাম স্মিথ আৰু ডেভিদ ৰিকাৰ্ডোৱে তেখেতসকলৰ ব্যাখ্যাত প্ৰথম দুটা প্ৰশ্নৰ ব্যাখ্যা আগবঢ়াইছিল। কিন্তু তৃতীয় প্ৰশ্নটোৰ উত্তৰ সম্পৰ্কে অন্য এজন সংস্থাপিত অৰ্থনীতিবিদ জে.এচ.মিলে (J.S.Mill) ব্যাখ্যা আগবঢ়াইছিল। ইয়াৰ পিচতে কেয়াৰনেচ (Cairnes), বাষ্টাবেল (Bastable), টাচিগ (Taussig), হাবাৰলাৰ (Haberler) আদি অৰ্থনীতিবিদে আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কে অধিক আলোচনাৰ বাট মুকলি কৰে।

আন্তৰ্জাতিৰ বাণিজ্যৰ কাৰণ বিশ্লেষণ কৰি সংস্থাপিত গোষ্ঠীৰ অৰ্থনীতিবিদসকলে সেৱা সামগ্ৰী উৎপাদনত বিভিন্ন দেশৰ ব্যয় পাৰ্থক্যৰ বিষয়ে বিশদ বিশ্লেষণ কৰিছিল। তেখেত সকলৰ ব্যাখ্যাত তিনি প্ৰকাৰৰ ব্যয়ৰ পাৰ্থক্য দেখা পোৱা যায়। সেইয়া হ'ল -

ক) ব্যয়ৰ সমান পাৰ্থক্য (equal ...

খ) ব্যয়ৰ চূড়ান্ত বা পৰম পাৰ্থক্য (absolute cost difference)

গ) ব্যয়ৰ তুলনামূলক পাৰ্থক্য (comparative cost difference)

সংস্থাপিত গোষ্ঠীৰ এই তিনি প্ৰকাৰৰ ব্যয়ৰ পাৰ্থক্য সম্পৰ্কে ব্যাখ্যা কৰিবলৈ যাওঁতে কেইটামান অভিধাৰণাৰ সহায় লোৱা দৰকাৰ। এই অভিধাৰণা সমূহ হ'ল —

(i) শ্ৰমিকেই হ'ল উৎপাদনৰ একমাত্ৰ উপাদান।

(ii) শ্ৰমিকৰ সকলো গোট সমগুণসম্পন্ন অৰ্থাৎ প্ৰতিটো গোট শ্ৰমিকৰ উৎপাদন ক্ষমতা সমান সমান।

(iii) শ্ৰমিকৰ পূৰ্ণ গতিশীলতা থাকে।

(iv) যিহেতু উৎপাদনৰ উপাদান মাথোন শ্ৰমিক। গতিকে উৎপাদন কাৰ্য্যত স্থিৰ উৎপাদন ব্যয় বিধি প্ৰযোজ্য হৈ থাকে।

(v) শ্ৰমিকৰ মাজত মুক্ত প্ৰতিযোগিতা বিৰাজমান।

(vi) বাণিজ্যৰ দিশতেই হওক বা উৎপাদন দিশতেই হওক কোনো ধৰণৰ চৰকাৰী হস্তক্ষেপ নেথাকে।

(vii) উৎপাদন আৰু উপাদান দুয়োবিধ বজাৰত পূৰ্ণ প্ৰতিযোগিতা বিৰাজমান।

(viii) কোনো ধৰণৰ পৰিবহন ব্যয় নেথাকে।

(ix) দেশ দুখন আৰু সামগ্ৰী দুবিধ।

(x) প্ৰতিবিধ সামগ্ৰীৰ নিজা নিজা গোটবোৰ সদৃশ আৰু সমগুণ সম্পন্ন।

(xi) কেৱল দুখন দেশৰ মাজতহে তুলনামূলক ব্যয় বিশ্লেষণ কৰা হয়। এনে বিশ্লেষণৰ বাবে দুয়োখন দেশৰ অৰ্থনৈতিক উন্নয়ন একে পৰ্য্যায়ৰ বুলি ধৰি লোৱা হয়।

(ক) **ব্যয়ৰ সমান পাৰ্থক্য** (Equal cost difference)ঃ যদিহে দুখন দেশৰ মাজত উৎপাদন ব্যয়ৰ পাৰ্থক্য সমান সমান হয় তেনেহ'লে দেশ দুখনৰ মাজত আন্তৰ্জাতিক বাণিজ্য সম্ভৱ নহয়। কিয়নো এনে অৱস্থাত ঘৰুৱা বিনিময়

হাৰ আৰু আন্তৰ্জাতিক বিনিময় হাৰ একেই হয়। গতিকে আন্তৰ্জাতিক বাণিজ্যত অযথা জটীলতাৰ সৃষ্টি হয়। তলৰ তালিকাৰে ধাৰণাটো সহজে বুজিব পাৰি।

তালিকা - ২

এক এককৰ উৎপাদন ব্যয়

| দেশ | ঘেঁহু | কাপোৰ | ঘৰুৱা বিনিময় হাৰ |
|---|---|---|---|
| ভাৰত | 40 শ্ৰম/ঘন্টা | 80 শ্ৰম/ঘন্টা | 1 Wheat = $\frac{1}{2}$ cloth |
| ইংলেণ্ড | 60 শ্ৰম/ঘন্টা | 120 শ্ৰম/ঘন্টা | 1 Wheat = $\frac{1}{2}$ cloth |

তালিকাত ধৰি লোৱা হৈছে যে দেশ দুখন হ'ল ভাৰত আৰু ইংলেণ্ড। সামগ্ৰী দুবিধ হ'ল ঘেঁহু আৰু কাপোৰ। ভাৰতত এক একক ঘেঁহু উৎপাদন কৰিবলৈ 40 একক শ্ৰম/ঘন্টা প্ৰয়োজন আৰু এক একক কাপোৰ উৎপাদন কৰিবলৈ 80 একক শ্ৰম/ঘন্টাৰ প্ৰয়োজন। অৰ্থাৎ এক একক কাপোৰ উৎপাদন নকৰিলে দুই একক ঘেঁহু উৎপাদন কৰিব পৰা যায়। এতেকে সামগ্ৰী দুবিধৰ ক্ষেত্ৰত ভাৰতৰ ঘৰুৱা বিনিময় হাৰ হ'ল। একক ঘেহু = $\frac{1}{2}$ একক কাপোৰ। পুনৰ ইংলেণ্ডত এক একক ঘেঁহু উৎপাদন কৰিবলৈ 60 একক শ্ৰম/ঘন্টা খৰছ কৰিব লগা হয়। পুনৰ এক একক কাপোৰ উৎপাদন কৰিবলৈ 120 একক শ্ৰম/ঘন্টা খৰছ কৰিব লগা হয়। এতেকে ঘেঁহু আৰু কাপোৰৰ মাজত ইংলেণ্ডৰ ঘৰুৱা বিনিময় হাৰ হ'ব -

একক ঘেঁহু $= \frac{60}{120}$ একক কাপোৰ


এক একক ঘেঁহু = $\frac{1}{2}$ একক কাপোৰ

এতেকে বাণিজ্যিক বিনিময় হাৰ দুয়োখন দেশৰে একে হোৱাত দেশ দুখনৰ মাজত আন্তৰ্জাতিক বাণিজ্যৰ সম্পৰ্ক গঢ়ি তুলিব পৰা নেযায়। ব্যয়ৰ সমান পাৰ্থক্য তত্বটো তলৰ চিত্ৰৰে প্ৰকাশ কৰিব পাৰি।

চিত্ৰ নং 4 ত 0X অক্ষৰে ইংলেণ্ডৰ ঘেঁহুৰ উৎপাদন ব্যয় আৰু 0Y অক্ষৰে সেই দেশত কাপোৰৰ উৎপাদন ব্যয়ক প্ৰকাশ কৰিছে। চিত্ৰত ৰেখা 'A' ডালে ইংলেণ্ডত কাপোৰ আৰু ঘেহুৰ উৎপাদন সম্ভাব্য অৱস্থাবোৰক আৰু 'B' ডালে ভাৰতৰ ক্ষেত্ৰত ঘেঁহু আৰু কাপোৰৰ উৎপাদন সম্ভাব্য ৰেখাডালক প্ৰকাশ কৰিছে। দুয়োডাল ৰেখা পৰস্পৰ সমান্তৰাল অৰ্থাৎ বিনিময় হাৰ একে। সেয়েহে দেশদুখনৰ


মাজত আন্তৰ্জাতিক বাণিজ্যক সম্পৰ্ক স্থাপন কৰা সম্ভৱ নহয়। ভাৰত

চিত্ৰ নং - 3




আৰু ইংলেণ্ড দুয়োখন দেশত ঘৰুৱাভাৱে সামগ্ৰী দুবিধৰ বিনিময় হাৰ চিত্ৰ নং 4 ৰ যোগেদি প্ৰকাশ কৰিব পৰা যায়।

চিত্ৰ নং - 4




চিত্ৰত 0X অক্ষৰে ঘেঁহুৰ উৎপাদন ব্যয় আৰু 0Y অক্ষৰে কাপোৰৰ উৎপাদন ব্যয়ক প্ৰকাশ কৰিছে। চিত্ৰত ভাৰত = ইংলেণ্ড ৰেখা ডালে বাণিজ্যিক হাৰক প্ৰকাশ কৰিছে। চিত্ৰত দুয়োখন দেশৰ বাণিজিক হাৰ ৰেখা একেডালেই হয়। অৰ্থাৎ দুয়োখন দেশৰে ঘৰুৱা বিনিময় হাৰ একে হোৱাত সিহঁতৰ মাজত আন্তৰ্জাতিক বাণিজ্য সম্ভৱ নহয়।

ব্যয়ৰ সমান প্ৰাৰ্থক্য তত্বটো প্ৰকৃততে এটা আদৰ্শগত তত্ব। এই তত্ব বাস্তৱত প্ৰয়োগ কৰিব পৰা নহয়। কোনবোৰ অৱস্থাত আন্তৰ্জাতিক বাণিজ্য সম্ভৱপৰ